**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-11-2024 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

কাজিৰঙাত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাৰ আজি তৃতীয় দিন। দেশ-বিদেশৰ প্ৰতিনিধি, পৰ্যটন অপাৰেটৰসকলে আজি পুৱাৰে পৰা তেওঁলোকৰ কাৰ্যসূচী আৰম্ভ কৰিছে। আজি পুৱা মুঠ ৪৫ খন বন বিভাগৰ বাহনেৰে প্ৰায় ১২০ জন প্ৰতিনিধিয়ে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কঁহৰা বনাঞ্চল দৰ্শন কৰে। ইয়াৰ পাছতে তেওঁলোকে আজি কাজিৰঙা জাতীয় অৰ্কিড উদ্যান আৰু হাতীখুলি চাহবাগিচা পৰিদৰ্শন কৰিব। ইপিনে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মাজুলীক বিশ্ব ঐতিহ্যক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনাইছে। কালিৰ উদ্বোধনী অনুষ্ঠানত পৰ্যটন আৰু সাংস্কৃতিক দপ্তৰৰ ৰাজ্য মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটক তেওঁ এই আহ্বান জনায়। অসমৰ ঘৰুৱা পৰ্যটন ক্ষেত্ৰ যোৱাটো পৰ্যটন বৰ্ষত ৫৭৫ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে লগতে কয়, যে তৃতীয়বাৰলৈ উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অসমত আয়োজন কৰাটো সন্মানৰ বিষয় আৰু এই উৎসৱে ইউনেস্ক'ৰ বিশ্ব পৰ্যটন ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ গৌৰৱ বৃদ্ধি কৰিব। এই মেলাই উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ বিশাল সম্ভাৱনাক অধিক উজ্জ্বল কৰি তোলাৰ লগতে উদ্যোগৰ উপৰি সাংস্কৃতিক বিনিময়, পৰিৱেশ সংৰক্ষণ আৰু অৰ্থনৈতিক উন্নয়নৰ পৰিৱৰ্তনশীল শক্তি হিচাপেও উন্মেষ সাধনত সহায় কৰিব বুলি ডং শৰ্মাই মন্তব্য কৰে। পৰ্যটন মেলাখন উদ্বোধন কৰি কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে কয়, যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটন আৰু আন্তঃগাঁথনি খণ্ডৰ উন্নয়নৰদ্বাৰা অঞ্চলটোৰ অৰ্থনৈতিক প্ৰগতিক সুনিশ্চিত কৰাৰ বাবে বিশেষ গুৰুত্ব দিছে। যোৱা ১০ বছৰত কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলৰ বাবে পুঁজি আৱণ্টন বৃদ্ধি কৰা বুলি উল্লেখ কৰি তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনক দেশৰ বিকাশৰ বাবে অষ্টলক্ষ্মী আখ্যা দি অঞ্চলটোৰ উন্নয়নৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

আনহাতে অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে যোৱা ১০ বছৰত ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰখনৰ ২০০ শতাংশ বৃদ্ধি হোৱা বুলি প্ৰকাশ কৰি ৰাজ্যখনৰ পৰ্যটন ক্ষেত্ৰৰ প্ৰচাৰ কৰাৰ বাবে সশস্ত্ৰ বাহিনীক বিশেষভাৱে ধন্যবাদ জনায়। উল্লেখযোগ্য যে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে আয়োজন কৰা মেলাখনে উত্তৰ-পূৰ্বাঞ্চলৰ পৰ্যটনৰ লগতে বাণিজ্য তথা উদ্যোগসমূহকো ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় এখন মঞ্চ দিছে। মেলাখনত ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় ট্যুৰ অপাৰেটৰ, হোটেল ব্যৱসায়ী, পৰ্যটন সেৱা আগবঢ়োৱা প্ৰায় ৪০০ প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে।

০০০০০০০

গোৱাৰ ৰাজধানী পানাজীত চলি থকা ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি পৰিব। আজি অন্তিম দিনা যুৱপ্ৰজন্ম আৰু চিনেমা বিষয়ত কলা একাডেমীত এখন আলোচনা চক্ৰ অনুষ্ঠিত হোৱাৰ লগতে চেক-ইংৰাজী আৰু জাৰ্মান ভাষাত নিৰ্মিত বহদান শ্লামাই পৰিচালনা কৰা ড্ৰাই চিজন শীৰ্ষক চিনেমাখন সামৰণি চিনেমা হিচাপে প্ৰদৰ্শন কৰা হ'ব। আজি বিয়লি পানাজীৰ শ্যামাপ্ৰসাদ মুখাৰ্জী ইন্দোৰ ষ্টেডিয়ামত মহোত্সৱৰ সামৰণি অনুষ্ঠান অনুষ্ঠিত হব আৰু ইয়াতেই প্ৰতিযোগিতা শিতানত অৱতীৰ্ণ ছবিসমূহৰ ফলাফল ঘোষণা কৰা হ'ব। শ্ৰেষ্ঠ চলচ্চিত্ৰৰ গল্ডেন পিককৰ লগতে এই শিতানৰ অন্যান্য বঁটাসমূহো আজিৰ অনুষ্ঠানত প্ৰদান কৰা হ'ব।

উল্লেখযোগ্য যে, চলিত বছৰত অসমীয়া ভাষাৰ তিনিখন চিনেমা ভাৰতীয় পেনোৰমালৈ নিৰ্বাচিত হৈছিল। ইয়াৰ ভিতৰত যদুমণি দত্তই পৰিচালনা কৰা জুইফুল ছবিখন ইউনেস্কো গান্ধী মেডেলৰ কাৰণে প্ৰতিযোগিতা শিতানত  কালি প্ৰদৰ্শিত হয়। অসম-নাগালেণ্ড সীমান্ত সমস্যাক লৈ নিৰ্মিত এই ছবিখনত দুগৰাকী নাৰীৰ মানৱীয় সম্পৰ্কৰ চিত্ৰায়ন কৰা হৈছে। ইয়াৰ উপৰি ৰাজেশ ভুঞাৰ পৰিচালনাৰ স্বৰ্গৰথ ২৫ বছৰৰ বিৰতিত অসমৰ পৰা মূলসূঁতিৰ চিনেমা শাখাত প্ৰদৰ্শিত হয়। অসমৰ আন এগৰাকী ছবি নিৰ্মাতা ৰবী শৰ্মা বৰুৱাৰ ৰ'দৰ পাখিও ভাৰতীয় পেনোৰমাত প্ৰদৰ্শিত হয়। অসমৰ কেনী বসুমতাৰীৰ পৰিচালনাৰে এন এফ ডি চিৰ প্ৰযোজনাৰ বড়ো ভাষাৰ বিবো বিনানাও নামৰ চিনেমাখনো মহোৎসৱত প্ৰদৰ্শিত হয়। চুটি ছবি শিতানত ভূপেন হাজৰিকা আঞ্চলিক চৰকাৰী চলচ্চিত্ৰ আৰু টেলিভিচন প্ৰতিষ্ঠানৰ প্ৰযোজনাৰে চাঞ্চোচিয়া শীৰ্ষক চিনেমাখন ভাৰতীয় পেনোৰমালৈ নিৰ্বাচিত হয়। ইতিমধ্যে চিনেমা নিৰ্মাণ আৰু বিতৰণৰ মঞ্চ হিচাপে চিহ্নিত ফিল্ম বাজাৰৰ শিতানৰ সামৰণি পৰিছে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন চিনেমাই ফিল্ম বাজাৰত বিতৰক আৰু নিৰ্মাতাসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছে বুলি পানাজীৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

গোলাঘাট জিলাৰ মৰঙী অঞ্চলত বনৰীয়া হাতীৰ আক্ৰমণত যোৱানিশা এজনী কিশোৰী আহত হয়। চৰকাৰী সূত্ৰৰ উদ্ধৃতি দি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে মৰঙীৰ তেলীয়া গাঁৱৰ ৰাজোৱাৰ চুবুৰীত যোৱানিশা এটা উন্মত্ত হাতীৰ আক্ৰমণত ৰশ্মি ৰাজোৱাৰ নামৰ কিশোৰীগৰাকী আহত হয়। আহত ৰশ্মিক প্ৰথমে গোলাঘাট অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও আঘাতৰ পৰিমাণ গুৰুতৰ হোৱা বাবে তেওঁক নিশাই যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ পঠোৱা হয়। কালি হাতীটোৱে অঞ্চলটোৰ কেইবাটাও বাসগৃহতো আক্ৰমণ কৰি ক্ষতি কৰে।

oooooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এলিভেটেড ক'ৰিডৰৰ নিৰ্মাণ কাৰ্য অহা চাৰি-পাঁচ মাহৰ ভিতৰতে আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি কাজিৰঙা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশ লৈ এই কথা প্ৰকাশ কৰে। প্ৰকল্পৰ চূড়ান্ত অনুমোদনৰ বাবে শীঘ্ৰে মন্ত্ৰী সভাত প্ৰস্তাৱ দাখিল কৰা হ'ব। পৰ্যটন মেলাত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ সৈতে এখন সংবাদ মেলাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰকল্পৰ চূড়ান্ত অনুমোদনৰ প্ৰস্তাৱ মন্ত্ৰী সভাত দাখিলৰ পাছতে বহু প্ৰত্যাশিত এলিভেটেড ক'ৰিডৰৰ নিবিদা জাৰি হোৱাৰ সম্ভাৱনা আছে। ইতিমধ্যে কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে এই প্ৰকল্পটোৰ বাবে প্ৰায় সকলোখিনি প্ৰাৰম্ভিক কাম সম্পূৰ্ণ কৰি তোলা বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। প্ৰায় ৬ হাজাৰ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক'ৰিডৰে বিশেষকৈ বাৰিষা বানৰ সময়ত বন্য জীৱ-জন্তু প্ৰব্ৰজন কৰাৰ সময়ত সুৰক্ষা প্ৰদান কৰিব।

oooooooo

সমাপ্ত